**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-03-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে পানী সংৰক্ষণ দেশৰ প্ৰতিগৰাকী নাগৰিকৰ দায়িত্ব বুলি মত প্ৰকাশ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি কেৰালাম আৰু তামিলনাডুলৈ যাব।

৩। দেশত স্বয়ংক্ৰিয় ট্ৰেইন সুৰক্ষা ব্যৱস্থা দ্ৰুতগতিত আগবাঢ়িছে। কৱচ শীৰ্ষক এই ব্যৱস্থাই সম্প্ৰতি ৮ হাজাৰ ৫৭০ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'লপথক সামৰি লৈছে।

৪। ইলেকট্ৰনিক আৰু তথ্য প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ভাৰতত ইণ্টাৰনেট সেৱা বিশ্বৰ ভিতৰতেই সুলভ বুলি মত প্ৰকাশ কৰিছে।

আৰু

৫। অহা ১৩ মাৰ্চৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসম ভ্ৰমণ কৰিব।

ooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে জল সংৰক্ষণ দেশৰ প্ৰতিগৰাকী নাগৰিকৰ দায়িত্ব বুলি মত প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি অনুষ্ঠিত জল মহোৎসৱ-২০২৬ত অংশগ্ৰহণ কৰি তেওঁ লগতে পানীক অত্যন্ত মূল্যৱান সম্পদ হিচাপে গণ্য কৰি পৰৱৰ্তী প্ৰজন্মৰ সমূহৰ বাবে ইয়াৰ সংৰক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই সন্দৰ্ভত মত ব্যক্ত কৰে। অনুষ্ঠানত কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি পি পাটিলৰ লগতে ৰাজ্যমন্ত্ৰী ভি সোমনা আৰু ৰাজভূষণ চৌধুৰীও উপস্থিত থাকে। অনুষ্ঠানত ভাষণ দি তেওঁ লগতে বহনক্ষম ভৱিষ্যত সুৰক্ষিত কৰিবলৈও পানী সংৰক্ষণ প্ৰয়োজনীয় বুলি প্ৰকাশ কৰে। পানী সংৰক্ষণক কেৱল এটা অভ্যাস নহয় বৰঞ্চ জীৱন ধাৰণৰ পদ্ধতি হিচাপে গঢ়ি তুলিবলৈ তেওঁ সকলোকে পৰামৰ্শ দিয়ে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে নল জলমিত্ৰ কাৰ্যসূচীৰ অধীনত আত্মসহায়ক গোটৰ গ্ৰাম্য যুৱক-যুৱতী আৰু মহিলাসকলক পানী যোগান ব্যৱস্থা পৰিচালনাত তথা ৰক্ষণাবেক্ষণত সক্ৰিয় অংশীদাৰ হিচাপে গঢ়ি তোলাৰ বাবে প্ৰশিক্ষণ দিয়া হৈছে। এই পদক্ষেপে কেৱল পানী সংৰক্ষণত অৰিহণা যোগোৱাই নহয়, গ্ৰাম্য অঞ্চলত কৰ্মসংস্থাপনৰ সুযোগৰো সৃষ্টি কৰিছে বুলি তেওঁ কয়।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি কেৰালাম আৰু তামিলনাডুলৈ যাব। কেৰালামৰ এৰ্নাকুলামত প্ৰধানমন্ত্ৰীয়ে প্ৰায় ১০ হাজাৰ ৮০০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়ন প্ৰকল্পৰ শুভাৰম্ভ কৰাৰ লগতে আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে অনুষ্ঠানৰ সৈতে সংগতি ৰাখি এখন জনসভাকো সম্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে তামিলনাডুৰ তিৰুচিলাপল্লীত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ আন্তঃগাঁথনি, গ্ৰাম্য যোগাযোগ আৰু ঘাইপথ উন্নয়ন খণ্ডত প্ৰায় ৫ হাজাৰ ৬০০ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা কেইবাটাও প্ৰকল্প উদ্বোধন কৰিব। তেওঁ দুখন অমৃত ভাৰত এক্সপ্ৰেছ, দুখন এক্সপ্ৰেছ ৰে'ল আৰু এখন যাত্ৰীবাহী ৰে'লৰ শুভাৰম্ভ কৰিব। নাগেৰকইল- চাৰলাপল্লী অমৃত ভাৰত এক্সপ্ৰেছখনে দক্ষিণ তামিলনাডু আৰু তেলেংগানাৰ মাজত যাতায়াত যথেষ্ট উন্নত কৰিব। পদানুৰ-ধনবাদ অমৃত ভাৰত এক্সপ্ৰেছে দক্ষিণ ভাৰত আৰু পূব ভাৰতৰ মাজৰ ৰে'লসেৱা অধিক শক্তিশালী কৰিব। প্ৰধানমন্ত্ৰীয়ে শুভাৰম্ভ কৰিবলগীয়া আন ৰামেশ্বৰম-মাংগালুৰু এক্সপ্ৰেছ, তিৰুনেলভেলী-মাংগালুৰু এক্সপ্ৰেছে অঞ্চলটোত ৰে'ল যোগাযোগ উন্নত কৰাই অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

00000000

দেশত স্বয়ংক্ৰিয় ট্ৰেইন সুৰক্ষা ব্যৱস্থা দ্ৰুতগতিত আগবাঢ়িছে। **কৱচ** শীৰ্ষক এই ব্যৱস্থাই সম্প্ৰতি ৮ হাজাৰ ৫৭০ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'লপথক সামৰি লৈছে। লোকসভাত আজি এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰ দি তেওঁ কয় যে, ৫ টা উপ ব্যৱস্থা অন্তৰ্ভূক্ত এই জটিল **কৱচ** ব্যৱস্থাৰ অধীনত দেশৰ বিভিন্ন ৰে'ল ষ্টেচনত এহেজাৰ ১০০ টাৰো অধিক দূৰ সংযোগ টাৱাৰৰ লগতে ৭৬৭ টা ষ্টেচন ডেটা কেন্দ্ৰ স্থাপন কৰা হৈছে। এই ব্যৱস্থা ৯০ৰ দশকতে আৰম্ভ কৰিব লাগিছিল যদিও ২০১৪ চনত প্ৰধানমন্ত্ৰী মোডীয়ে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছতহে ইয়াক কাৰ্য্যকৰী কৰা হয়।

বন্য প্ৰাণীক সুৰক্ষা প্ৰদানৰ উদ্দেশ্যে ৰে'ল বিভাগে ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি এই সন্দৰ্ভত শ্ৰী বৈষ্ণৱে অপ্টিকেল ফাইৱাৰ কেবল আৰু কৃত্ৰিম বুদ্ধিমত্তা সংযোজিত কেমেৰাৰ ব্যৱহাৰকে ধৰি অত্যাধুনিক প্ৰযুক্তি কৌশল প্ৰয়োগৰ লেখীয়া ব্যৱস্থা সমূহৰ বিষয়ে উল্লেখ কৰে। কোংকন ৰে'লৰে সন্দৰ্ভত উত্থাপিত এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে লগতে ৰে'ল বিভাগৰ সামৰ্থ্য বৃদ্ধিৰ উদ্দেশ্যে পুংখানুপুংখ প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰি থকা হৈছে বুলিও সদনক জানিবলৈ দিয়ে।

**-বাইট-**

0000000

কেন্দ্ৰীয় কেবিনেটে জলজীৱন মিছনৰ কাৰ্যকালৰ সীমা ২০২৮ চনৰ ডিচেম্বৰ পৰ্যন্ত বৃদ্ধিত অনুমোদন জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কালি অনুষ্ঠিত কেবিনেটৰ বৈঠকত লগতে জলজীৱন মিছনক সেৱা প্ৰদানকাৰী অভিযানলৈ ৰূপান্তৰ কৰাৰ লক্ষ্যৰে গাঁথনিগত পৰিৱৰ্তন আনিবলৈও সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইয়াৰ অংশ হিচাপে 'সুজলম ভাৰত' সূচীৰ অধীনত ৰাষ্ট্ৰীয় ডিজিটেল মঞ্চৰ শুভাৰম্ভ কৰি নিৰীক্ষণ চলোৱা হ'ব। কেবিনেটে লগতে জলজীৱন মিছনত অতিৰিক্ত ৮ লাখ ৬৯ হাজাৰ কোটি টকা ব্যয়তো অনুমোদন জনায়।

0000000

অহা ১৩ মাৰ্চৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসম ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে ৩৭ হাজাৰ ৫০০ কোটি ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প মুকলি কৰিব আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে প্ৰথমে কোকৰাঝাৰত এখন জনসভাত অংশ লৈ ৪ হাজাৰ ৫৭৪ কোটি টকাৰ আন্তঃগাঁথনি প্ৰকল্পৰ উদ্বোধন, আধাৰশিলা স্থাপন কৰিব। কোকৰাঝাৰৰ পৰা প্ৰধানমন্ত্ৰীলৈ গুৱাহাটীলৈ আহিব আৰু গুৱাহাটীত তেওঁ ৮ হাজাৰ ৮৪১ কোটি টকাৰ এলানি প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে ৭৮০ কোটি টকা ব্যয় সাপেক্ষ নুমলীগড়-শিলিগুৰিত প্ৰডাক্ট পাইপ লাইনৰ ক্ষমতা বৃদ্ধি প্ৰকল্পৰ উদ্বোধন কৰিব। তেওঁ লগতে ৩ হাজাৰ ৬৩৩ কোটি টকা ব্যয় সাপেক্ষ তিনিচুকীয়া-ফৰকাটিং দ্বৈত ৰে'ল লাইন আৰু এহেজাৰ ১৮০ কোটি ব্যয়েৰে নিৰ্মাণ কৰা চাপৰমুখ-ডিব্ৰুগড় ৰে'লপথ বৈদ্যুতিকীকৰণ ৰে'লপথ প্ৰকল্প মুকলি কৰিব। তেওঁ ৰাজ্যৰ ২০ হাজাৰ চাহ শ্ৰমিকক ভূমিপট্টা বিতৰণৰ শুভাৰম্ভ কৰিব। প্ৰধানমন্ত্ৰীয়ে পশ্চিম কাৰ্বি আংলঙত দুহেজাৰ ৩২০ কোটি টকা ব্যক্ষ সাপেক্ষ কপিলী জলবিদ্যুৎ প্ৰকল্পৰ উৎপাদন প্ৰক্ৰিয়াৰো শুভাৰম্ভ কৰিব। ১৪ মাৰ্চত শিলচৰত শ্ৰীমোদীয়ে ২৪ হাজাৰ ৫০৫ কোটি টকাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰিব।

আনহাতে ১৫ মাৰ্চত গৃহমন্ত্ৰী অমিত শ্বাহ অসমলৈ আহিব। সেইদিনা তেওঁ দিনৰ ১০ বজাত প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় মুকলি কৰিব। দিনৰ ১১ বজাত তেওঁ বিজেপিয়ে আয়োজন কৰা যুৱ সন্মিলনত অংশগ্ৰহণ কৰিব।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি কেৰালাৰ কোচিত আয়োজিত অখিল কেৰালা ধীৱৰা সভাৰ সোণালী জয়ন্তী সমাৰোহত অংশগ্ৰহণ কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি শ্ৰীমোডীয়ে কয়, যে ধীৱৰা সভাই বিগত ৫০

বছৰ ধৰি মাছমৰীয়া সম্প্ৰদায়ৰ অধিকাৰক সুৰক্ষা প্ৰদানৰ হকে কাম কৰি আহিছে। আজিৰ অনুষ্ঠানৰ সৈতে সংগতি ৰাখি তেওঁ সকলো মাছমৰীয়াসকলৰ লগতে ধীৰাৰা সভাৰ সদস্যসকলক অভিনন্দন জ্ঞাপন কৰে।

০০০০০০০

ইলেকট্ৰনিক আৰু তথ্য প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে  ভাৰতত ইণ্টাৰনেট সেৱা বিশ্বৰ ভিতৰতেই সুলভ বুলি মত প্ৰকাশ কৰিছে। আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত প্ৰতি গিগাবাইট ইণ্টাৰনেট সেৱাৰ নিৰিখ ২.৫-৯ ডলাৰ বুলি উল্লেখ কৰি তেওঁ কয় যে, ভাৰতত এই দৰ বিশ্বৰ গড় নিৰিখৰ তুলনাত প্ৰায় ২৫ শতাংশ কম। লোকসভাত আজি প্ৰশ্নকালত উত্থাপিত পৰিপূৰক প্ৰশ্নৰ উত্তৰ দি মন্ত্ৰী গৰাকীয়ে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ডিজিটেল ভাৰত ব্যৱস্থাৰ অধীনত সামগ্ৰিকভাৱে ৩টা গুৰুত্বপূৰ্ণ দিশত কাৰ্য্যবৰস্থা গ্ৰহণ কৰাৰ ফলত এইটো সম্ভৱপৰ হৈ উঠিছে। ২০১৪ চনত দেশৰ প্ৰায় ২৫ কোটি লোকক ইণ্টাৰনেট সেৱাই সামৰি লৈছিল বুলি উল্লেখ কৰি তেওঁ কয় যে, সম্প্ৰতি দেশত ইণ্টাৰনেট ব্যৱহাৰ কৰা লোকৰ সংখ্যা প্ৰায় ১০৩ কোটি।

০০০০০০০

কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱতে আজি কোৰিয়াৰ ৰাষ্ট্ৰীয় বিধানসভাৰ সদস্য কিম জে ৰনক সাক্ষাৎ কৰে। সামাজিক মাধ্যম যোগে দিয়া এটা পোষ্টত মন্ত্ৰীগৰাকীয়ে সংস্কৃতি, চলচ্চিত্ৰ, সৃষ্টিশীল উদ্যোগ আৰু পৰ্যটনৰ ক্ষেত্ৰত সহযোগিতা শক্তিশালী কৰাৰ ক্ষেত্ৰত তেওঁলোকে উৎপাদনশীল আলোচনা কৰে বুলি কয়। তেওঁ লগতে কয়, যে ভাৰতত কোৰিয়ান সংস্কৃতিৰ ক্ৰমবৰ্ধমান জনপ্ৰিয়তা আৰু কোৰিয়াত যোগ আৰু ভাৰতীয় পৰম্পৰাৰ প্ৰতি আগ্ৰহ বৃদ্ধি পোৱাৰ লগে লগে পৰস্পৰৰ সম্পৰ্ক আৰু অধিক গভীৰ কৰাৰ লগতে ভাৰত-কোৰিয়া বিশেষ কৌশলগত অংশীদাৰিত্বক সমৃদ্ধ কৰাৰ অপৰিসীম সম্ভাৱনা আছে। তেওঁ লগতে উল্লেখ কৰে যে, ভাৰত আৰু কোৰিয়াৰ মাজত অযোধ্যাৰ ৰাজকুমাৰী সুৰিৰত্নৰ ঐতিহাসিক উত্তৰাধিকাৰৰ লগতে বৌদ্ধ ধৰ্মৰ চিৰস্থায়ী আধ্যাত্মিকতাৰ গভীৰ সংযোগ আছে।

০০০০০০০

সমাপ্ত